জাতিৰ সেৱাত উৎসৰ্গিত ৬১ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

https://dainikasam.in

বছৰ । ২০৪ সংখ্যা, ১৭ ফাগুন, সোমবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 204। DIBRUGARH, MONDAY, MARCH 2, 2026 । পৃষ্ঠা ১৬ (Pages 16) ৯.০০ টকা

...llege A.C.U.C. Library, Dibrugarh

### কানৈ মহাবিদ্যালয়ত ক্ৰীড়া-যুৱ কল্যাণ মন্ত্ৰণালয়ৰ কাৰ্যসূচী

## ‘যুৱ সমাজেই সংসদীয় গণতন্ত্ৰৰ মূল চালিকাশক্তি’

**দৈনিক অসমৰ প্ৰতিনিধি**

**ডিব্ৰুগড়, ১ মাৰ্চ ঃ** ‘যুৱ সমাজেই হৈছে সংসদীয় গণতন্ত্ৰৰ মূল চালিকাশক্তি। সমাজৰ প্ৰগতি, বিকাশ আৰু ভৱিষ্যতৰ দিশ নিৰ্ধাৰণ কৰাৰ বাবে সংসদীয় গণতন্ত্ৰৰ বিকল্প নাই।’ —ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ত ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰণালয়ৰ উদ্যোগত অনুষ্ঠিত ‘বিকশিত ভাৰত ঃ যুৱ সংসদ, ২০২৬’ শীৰ্ষক অনুষ্ঠান উদ্বোধন কৰি শক্তি, দক্ষতা, নিযুক্তি আৰু উদ্যোগশীলতা, চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকনে কালি এইদৰে কয়। ‘জৰুৰী অৱস্থাৰ ৫০ বছৰ ভাৰতীয় গণতন্ত্ৰৰ বাবে শিক্ষা’ শীৰ্ষক বিষয়ৰ যুৱ সংসদখনত মন্ত্ৰী ফুকনে কয়— ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল ৰাষ্ট্ৰত যুৱ সমাজৰ ওপৰতেই ৰাষ্ট্ৰৰ বৰ্তমান আৰু ভৱিষ্যৎ নিৰ্ভৰশীল। অধ্যাপিকা সংক্ৰান্তি দেৱীয়ে আঁত ধৰা যুৱ সংসদখনৰ উদ্বোধনী অনুষ্ঠানত আদৰণী ভাষণ দি মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই কয়— দেশৰ গণতন্ত্ৰ হ’ল এজোপা প্ৰকাণ্ড বটবৃক্ষ। যদি সেই বৃক্ষৰ ডাল-পাতবোৰ পৰিষ্কাৰ কৰি থকা যায়, শিপাত সাৰ-পানী দিয়া যায়, তেন্তে সেই গছে বেছি দিন ছাঁ দি থাকিব। মহাবিদ্যালয়ৰ অধ্যাপক তথা এন এছ এছৰ কাৰ্যক্ৰম বিষয়া শিৱনাথ চুতীয়াই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটিত ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি কয়— গণতন্ত্ৰ এখন ৰাষ্ট্ৰৰ মেৰুদণ্ডস্বৰূপ। যুৱ সমাজ দেশৰ ভৱিষ্যৎ আৰু গণতান্ত্ৰিক মূল্যবোধ সুৰক্ষিত কৰাটো যুৱ সমাজৰ দায়িত্ব। ডিব্ৰুগড় জিলাৰ যুৱ কল্যাণ বিষয়া অভীক ৰঞ্জন দাসে যুৱ সমাজৰ শক্তি আৰু উদ্যম সঠিক দিশত পৰিচালিত হ’ব লাগিব বুলি কয়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ডঃ পাৰ্থ গাংগুলী, শৈক্ষিক পৰিষদৰ সদস্য সচিব ডঃ জ্যোতিপ্ৰসাদ ফুকন, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ডঃ দীপংকজ গগৈৰ লগতে মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য যে এই কাৰ্যসূচীত বিচাৰক হিচাপে উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ জ্যেষ্ঠ সহকাৰী অধ্যাপক ডঃ বৰুণ দে’, শিক্ষাতত্ত্ব বিভাগৰ সহযোগী অধ্যাপক ডঃ অমৰ উপাধ্যায়, অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ডঃ দৰ্পণজিৎ কোঁৱৰ, চাবুৱাৰ ডি ডি আৰ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ৰণেন্দ্ৰ খাউণ্ড। প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰা ডিব্ৰুগড় জিলাৰ বিভিন্ন শিক্ষানুষ্ঠানৰ প্ৰায় ৫০জন প্ৰতিযোগীৰ মাজৰ পৰা পাঁচজন শ্ৰেষ্ঠ প্ৰতিযোগীক অসম বিধানসভাত অনুষ্ঠিত হ’ব লগা ৰাজ্যিক পৰ্যায়ৰ যুৱ সংসদত ডিব্ৰুগড় জিলাক প্ৰতিনিধিত্ব কৰিবৰ বাবে বাছনি কৰা হয়।

ত জীৱন,
য়াৰ লগত
প জীৱন
ৰ্ঘ জীৱন
কৰি তিতা-
চনা আৰু
ম্মিলনীয়ে
সূচীত মধ্য
ন শিক্ষক
প্ৰাৰম্ভতে
বিদ্যালয়ৰ
ত কণ্ঠশিল্পী
ৰ ১০.৩০
হয়। চন্দ্ৰ
কান্ত নাথে
ত কবিতা
শন কৰে।
কান্ত নাথ,
হণ কৰে।
া জনোৱা
তি সজাগ